## বেজেৰাত পথ দুৰ্ঘটনাত আহত এক

অগ্ৰদূত বাৰ্তা

**দুমুনিচকী, ২৭ জুন ঃ** আজি পুৱা প্ৰায় পাঁচ বজাত কামৰূপ জিলাৰ বাইহাটা চাৰিআলি আৰক্ষী থানাৰ অন্তৰ্গত বেজেৰাত ১৫ নম্বৰ ৰাষ্ট্ৰীয় পথত এক পথ দুৰ্ঘটনা সংঘটিত হয়। দুৰ্ঘটনাত বেজেৰাৰ নিবাসী চন্দ্ৰধৰ ডেকা (৫৬) নামৰ খেতিয়ক এজন গুৰুতৰভাৱে আহত হয়। প্ৰাপ্ত বাতৰি অনুসৰি আজি পুৱা ডেকাই বেজেৰা দৈনিক পাণ বজাৰলৈ ১৫ নম্বৰ ৰাষ্ট্ৰীয় পথেৰে চাইকেলেৰে পাণ লৈ গৈ থকা অৱস্থাত বেজেৰা শংকৰদেৱ জাতীয় বিদ্যালয়ৰ সন্মুখত এখন অচিনাক্ত বাহনে পিছফালৰ পৰা খুন্দা মাৰে। ফলত ডেকা চাইকেলসহ পথৰ দাঁতিত পৰি থাকে। পাছত স্থানীয় লোক আৰু পথচাৰীয়ে ডেকাক ততাতৈয়াকৈ ১০৮ সেৱাৰে বেজেৰা সামূহিক স্বাস্থ্য কেন্দ্ৰলৈ নিয়ে যদিও প্ৰাথমিক চিকিৎসাৰ শেষত চিকিৎসকে অতি সংকটজনক অৱস্থাত গুৱাহাটী মেডিকেল কলেজ হাস্পতাললৈ প্ৰেৰণ কৰে। দুৰ্ঘটনাকাৰী গাড়ীখন চিনাক্ত হোৱা নাই যদিও সেনাবাহিনীৰ গাড়ীয়ে খুন্দিয়াই থৈ যায় বুলি স্থানীয় লোকে জানিবলৈ দিয়ে।

## বালিপৰাত বিভিন্ন সমস্যা সমাধানৰ দাবীত অৱস্থান ধৰ্মঘট

অগ্ৰদূত বাৰ্তা

**তেজপুৰ, ২৭ জুন ঃ** বিভিন্ন সমস্যাই জুমুৰি দি থকা বালিপৰাৰ সমস্যাসমূহ সমাধানৰ দাবীত কাইলৈ স্থানীয় কে'বাটাও সংগঠনে সমূহীয়াভাৱে ৰূপায়ণ কৰিব দুঘণ্টীয়া অৱস্থান ধৰ্মঘট কাৰ্যসূচী। উল্লেখ্য যে বালিপৰাত সুদীৰ্ঘকাল ধৰি অব্যাহত থকা বান সমস্যাৰ সু-পৰিকল্পিত স্থায়ী সমাধানৰ লগতে বৰ্তমানেও জলমগ্ন অৱস্থাত থকা অনুষ্ঠান আৰু ৰাইজৰ সমস্যাসমূহৰ সমাধান তথা আবদ্ধ হৈ থকা পানী ক্ষিপ্ৰতাৰে নিষ্কাসনৰ ব্যৱস্থা গ্ৰহণৰ দাবীৰ লগতে জৰাসৰৰ ভয়াৱহ খহনীয়া ৰোধ কৰাৰ দাবীত এই প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰা হয়। তদুপৰি অতীত তথা বৰ্তমান ব্যয় হোৱা চৰকাৰী ধনৰ ব্যাপক খেলি-মেলি সন্দৰ্ভত উচ্চ পৰ্যায়ৰ তদন্তৰ দাবীৰ উপৰি গ্ৰামাঞ্চলৰ বাট-পথসমূহৰ উন্নয়নৰ লগতে বালিপৰা-ৰঙাপৰা সংযোগী পথৰ কাম দ্ৰুতগতিত সমাপ্তিৰ উপৰি বালিপৰা তেজপুৰ সংযোগী ৰাষ্ট্ৰীয় পথৰ মেৰামতিৰ দাবীত এই অৱস্থান ধৰ্মঘট কাৰ্যসূচী ৰূপায়ণৰ সিদ্ধান্ত গ্ৰহণ কৰা হৈছে। বালিপৰা উন্নয়ন সমিতি, অসম সেনা, বালিপৰা শাখা ছাত্ৰ সন্থা, জনমত আৰু বালিপৰা ব্যৱসায় সন্থাৰ যৌথ উদ্যোগত পুৱা ১১ বজাত বালিপৰা চাৰিআলিত এই অৱস্থান ধৰ্মঘট কাৰ্যসূচী ৰূপায়ণ কৰা হ'ব।

## লাহৰীঘাটত চিপজৰী লৈ আত্মহত্যা

অগ্ৰদূত বাৰ্তা

**লাহৰীঘাট, ২৭ জুন ঃ** ঈদৰ নিশা লাহৰীঘাটৰ বৰবড়িত চিপ লোৱা অৱস্থাত এজন লোকৰ মৃতদেহ উদ্ধাৰ হয়। লাহৰীঘাট আৰক্ষী থানাৰ অন্তৰ্গত বৰবড়িত ঘৰৰ পাছফালে থকা এডাল গছত চিপজৰী লোৱা ইছমাইল হুছেইনৰ (৪০) মৃতদেহ উদ্ধাৰ হয়। ঘৰুৱা কন্দলৰ বাবে পাঁচজন সন্তানৰ পিতৃ হুছেইনে এই পন্থা বাচি লোৱা বুলি স্থানীয় ৰাইজে সন্দেহ কৰিছে। পাছত আৰক্ষীয়ে ঘটনাস্থলীত উপস্থিত হৈ মৃতদেহটো উদ্ধাৰ কৰি মৰোণত্তৰ পৰীক্ষাৰ বাবে মৰিগাঁও অসামৰিক চিকিৎসালয়লৈ প্ৰেৰণ কৰি তদন্ত অব্যাহত ৰাখিছে।

# সুৰা বন্ধৰ শ্ল'গানেৰে উত্তাল নাগ্ৰীজুলী

### সাত সংগঠনৰ প্ৰতিবাদ

অগ্ৰদূত বাৰ্তা

**তামুলপুৰ, ২৭ জুন ঃ** বাগ্‌সা জিলাৰ তামুলপুৰ মহকুমাৰ অন্তৰ্গত নাগ্ৰীজুলি বজাৰত বৃহত্তৰ নাগ্ৰীজুলি অঞ্চলৰ স্থানীয় আছু, এবছু, চাওতাল ছাত্ৰ সন্থা, আগছু, আটছা, আছা, বেংগলী যুৱ-ছাত্ৰ ফেডাৰেছনকে ধৰি মুঠ সাতটাকৈ জাতীয় ছাত্ৰ সংগঠনৰ দ্বাৰা যৌথভাৱে গঠিত সংগঠন গ্ৰেটাৰ নাগ্ৰীজুলি ষ্টুডেণ্টছ অৰ্গেনাইজেছনৰ উদ্যোগত আৰু জনকল্যাণ ট্ৰেডিং কো-অপাৰেটিভ ছ'চাইটি লিমিটেডৰ সহযোগত বৃহত্তৰ নাগ্ৰীজুলি অঞ্চলত ব্যাপক হাৰত চলি থকা তীৰ, জুৱা আৰু অবৈধ সুৰাৰ প্ৰচলন বন্ধ কৰাৰ দাবীত আজি দিনৰ ১০-৩০ বজাৰ পৰা ১২-৩০ বজালৈ এক দুঘণ্টীয়া প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰে। এই প্ৰতিবাদী কাৰ্যসূচীত সাতটাকৈ সংগঠনৰ বিষয়ববীয়া, নাগ্ৰীজুলি অঞ্চলৰ বিভিন্ন শিক্ষানুষ্ঠানৰ পৰা অহা ছাত্ৰ-ছাত্ৰী, স্থানীয় সমাজকৰ্মী, বিশিষ্ট ব্যক্তিসকলে হাতে হাতে বেনাৰ, ফেষ্টুন, প্লেকাৰ্ড আদি লৈ নাগ্ৰীজুলিত তীৰ-জুৱা বন্ধ কৰক', 'তীৰৰ এজেণ্ট মুৰ্দাবাদ', 'জুৱাৰ অবাধ প্ৰচলন বন্ধ কৰক', 'তীৰৰ দালাল সাৱধান', 'তীৰ-জুৱা-সুৰা সামাজিক ব্যাধি বন্ধ কৰক' আদি শ্ল'গান দি নাগ্ৰীজুলি বজাৰৰ আকাশ-বতাহ উত্তাল কৰি তোলে। ছাত্ৰ সংগঠনৰ নেতাসকলে প্ৰতিবাদস্থলীত ভাষণ ৰাখি কয় যে বৃহত্তৰ নাগ্ৰীজুলি অঞ্চলত তীৰ, জুৱা, সুৰাৰ অবাধ প্ৰচলন হোৱাত অঞ্চলটোৰ যুৱ প্ৰজন্ম বেয়াকৈ ক্ষতিগ্ৰস্ত হৈছে। এই ক্ষেত্ৰত সৰ্বসাধাৰণ ৰাইজেও আগবাঢ়ি আহিব লাগিব। নাগ্ৰীজুলি অঞ্চলৰ বিশিষ্ট সমাজকৰ্মী ঘনশ্যাম শৰ্মায়ো বৃহত্তৰ নাগ্ৰীজুলি অঞ্চলত তীৰ-জুৱাৰ কুপ্ৰভাৱৰ বিষয়ে বক্তব্য দাঙি ধৰে আৰু এই ব্যাধি বন্ধ কৰাৰ ক্ষেত্ৰত সকলোকে মাৰ বান্ধি থিয় হ'বলৈ আহ্বান জনায়। আনহাতে, নাগ্ৰীজুলিত অতি শীঘ্ৰে তীৰ-মদ-জুৱা বন্ধ নকৰিলে প্ৰশাসনৰ বিৰুদ্ধে তীব্ৰ গণতান্ত্ৰিক আন্দোলন গঢ়ি তুলিব বুলি ভাবুকি দিয়ে ছাত্ৰ সংগঠনসমূহে। পাছত তামুলপুৰ মহকুমাৰ সহকাৰী আয়ুক্ত আদিত্য গগৈৰ জৰিয়তে তামুলপুৰ মহকুমাৰ মহকুমাধিপতিলৈ তীৰ-জুৱা বন্ধ কৰাৰ দাবীত এখন স্মাৰক পত্ৰ প্ৰদান কৰে ছাত্ৰ সংগঠনসমূহে। নাগ্ৰীজুলি আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত বিষয়াৰ জৰিয়তে বাগ্‌সা জিলাৰ আৰক্ষী অধীক্ষকলৈও ছাত্ৰ-সংগঠনসমূহে পৃথককৈ এখন স্মাৰকপত্ৰ প্ৰেৰণ কৰে। ইপিনে, স্মাৰকপত্ৰ গ্ৰহণ কৰি তামুলপুৰ মহকুমাৰ সহকাৰী আয়ুক্ত গগৈয়ে নাগ্ৰীজুলিত তীৰ-জুৱা-অবৈধ সুৰাৰ প্ৰচলন বন্ধ কৰাৰ ক্ষেত্ৰত তামুলপুৰ মহকুমা প্ৰশাসনৰ তৰফৰ পৰা বলিষ্ঠ পদক্ষেপ গ্ৰহণ কৰা হ'ব বুলি আশ্বাস দিয়ে।




*নাগ্ৰীজুলীত সুৰাৰ বিৰুদ্ধে সাত সংগঠনৰ প্ৰতিবাদ, মঙলবাৰে।*

## ৰেল ৰাজ্যমন্ত্ৰীৰ সিদ্ধান্তক আদৰণি দল-সংগঠনৰ

### অসমৰ নিবনুৱাৰ বাবে সুকীয়া নিযুক্তি সংমণ্ডল স্থাপনৰ প্ৰস্তুতি

অগ্ৰদূত বাৰ্তা

**শিৱসাগৰ, ২৭ জুন ঃ** উত্তৰ-পূব সীমান্ত ৰেলৰে অধীনত অসমৰ নিবনুৱা যুৱক-যুৱতীসকলৰ নিযুক্তিৰ বাবে ৰেল বিভাগে সুকীয়া আৰু স্বতন্ত্ৰ ৰেলৰে নিযুক্তি সংমণ্ডল স্থাপন কৰাৰ বাবে আই পি এফ এছকে ধৰি ৰাজ্যখনৰ একাধিক দল-সংগঠনে ৰেল বিভাগক দাবী উত্থাপন কৰি থকাৰ সময়তে ৰেল ৰাজ্যমন্ত্ৰী অসমৰ নিবনুৱা যুৱক-যুৱতীৰ স্বাৰ্থ ৰক্ষাৰ বাবে উত্তৰ-পূব সীমান্ত ৰেলৰেই অসমত সুকীয়া আৰু স্বতন্ত্ৰ ৰেল নিযুক্তি সংমণ্ডল স্থাপন কৰাত তেওঁ নিজা উদ্যোগ গ্ৰহণ কৰিব বুলি ঘোষণা কৰাত গোহাঁইৰ এই ঘোষণাক আই পি এফ এছে আদৰণি জনাইছে। অসমক প্ৰতিনিধিত্ব কৰি ৰেলমন্ত্ৰীৰ দৰে গুৰুত্বপূৰ্ণ পদবী গ্ৰহণ কৰা গোহাঁয়ে অসমৰ জ্বলন্ত নিবনুৱা সমস্যাৰ কথা উপলব্ধি কৰাৰ লগতে নিবনুৱাসকলৰ সংস্থাপনৰ বাবে ৰেল বিভাগৰ অধীনত সুকীয়া নিযুক্তি সংমণ্ডল স্থাপন কৰিলে অসমৰ নিবনুৱাৰ স্বাৰ্থ ৰক্ষা কৰিব বুলি সংগঠনটোৱে আশা প্ৰকাশ কৰিছে।

### ঘগ্ৰাপাৰত কৃতী ছাত্ৰ-ছাত্ৰীক আছুৰ অভিনন্দন

## শাসক শ্ৰেণীৰ ষড়যন্ত্ৰৰ বাবেই পাঠ্যক্ৰমত নাই ভূগোল-বুৰঞ্জী

অগ্ৰদূত বাৰ্তা

**ঘগ্ৰাপাৰ, ২৭ জুন ঃ** 'সম্প্ৰতি ৰাজ্যৰ শাসক শ্ৰেণীৰ ষড়যন্ত্ৰৰ বাবে শৈক্ষিক পাঠ্যক্ৰমৰ পৰা ভূগোল-বুৰঞ্জী বিষয় দুটা বাদ দিয়া হৈছে।' এই মন্তব্য ড° পাৰ্থপ্ৰতিম মহন্তৰ। আজি পুৱা ১১ বজাত বনভাগ মহাবিদ্যালয় সভাগৃহত ঘগ্ৰাপাৰ আঞ্চলিক ছাত্ৰ সন্থাই আয়োজন কৰা কৃতী ছাত্ৰ-ছাত্ৰীৰ অভিনন্দন অনুষ্ঠানত সন্মানীয় অতিথিৰূপে অংশগ্ৰহণ কৰি তেওঁ এইদৰে মন্তব্য আগবঢ়ায়। বনভাগ মহাবিদ্যালয়ৰ অধ্যক্ষ যোগেন্দ্ৰ কলিতাই পৌৰোহিত্য কৰা সভাখনৰ উদ্দেশ্য ব্যাখ্যা কৰে ঘগ্ৰাপাৰ আঞ্চলিক ছাত্ৰ সন্থাৰ সম্পাদক দীপাংকৰ লহকৰে। নলবাৰী জিলাৰ আৰক্ষী অধীক্ষক হেমন্ত ভট্টাচাৰ্যই সভাখন উদ্বোধন কৰে। ড° মহন্তই পুনৰ কয়, 'ভূগোল আৰু ইতিহাসৰ ওপৰত অধ্যয়ন কৰিলে শাসক শ্ৰেণীৰ সান্দহ খোৱা বালি তল পৰিব বুলি ধাৰণা কৰে। তেওঁ পাঠ্যক্ৰমত ভূগোল আৰু বুৰঞ্জী বিষয় দুটা অতি শীঘ্ৰে বাধ্যতামূলক কৰাৰ বাবে দাবী জনায়।

নলবাৰী জিলা উন্নতি সভাৰ সাধাৰণ সম্পাদক ৰাতুল চন্দ্ৰ ডেকাই আঁত ধৰা অনুষ্ঠানটোত ঘগ্ৰাপাৰ ৰাজহ চক্ৰ বিষয়া জোনটি ডেকা, শিক্ষা বিষয়া পৰেশ কলিতা, আছুৰ সাংগঠনিক সম্পাদক হিমান বৰ্মন, নলবাৰী জিলা ছাত্ৰ সন্থাৰ সভাপতি গুণজিৎ পাঠক, সম্পাদক অক্ষয় ডেকায়ো বক্তব্য আগবঢ়ায়। অনুষ্ঠানটোত অঞ্চলটোৰ হাইস্কুল আৰু উচ্চতৰ মাধ্যমিক শিক্ষান্ত পৰীক্ষাত কৃতিত্ব অৰ্জন কৰা শিক্ষাৰ্থীসকলক গামোচা, কিতাপৰ টোপোলা, মানপত্ৰৰে সম্বৰ্ধনা জ্ঞাপন কৰা হয়। অনুষ্ঠানটোত ২৬ গৰাকী ছাত্ৰ-ছাত্ৰীক অভিনন্দনৰে উষ্ম আদৰণি জনোৱা হয়। উক্ত সভাতে প্ৰতিবছৰে প্ৰদান কৰি অহা শৈক্ষিক প্ৰতিভামূলক বঁটা প্ৰদান সমিতিৰ দ্বাৰা 'তৰুণ-ৰজনী শিক্ষা বঁটা'ও প্ৰদান কৰা হয়।

## চেঁচা গঞা খেল বংশৰ কৃতী ছাত্ৰ-ছাত্ৰীক সম্বৰ্ধনা

**ডুমডুমা, ২৭ জুন ঃ** উচ্চ আৰু উচ্চতৰ মাধ্যমিক শিক্ষান্ত পৰীক্ষাত মৰাণ জনগোষ্ঠীটোৰ অন্তৰ্ভুক্ত চেঁচাগঞা খেলবংশৰ পৰা সফলতাৰে উত্তীৰ্ণ ছাত্ৰ-ছাত্ৰীক যোৱা ২৫ জুনত অভিনন্দন জ্ঞাপন কৰা হয়। কাকপথাৰ উবন গাঁৰৰ বংশধৰ ফুলন্দ মৰাণৰ বাসগৃহত বগাধৰ মৰাণৰ পৌৰোহিত্যত অনুষ্ঠিত অভিনন্দন অনুষ্ঠানত ১২গৰাকী ছাত্ৰ-ছাত্ৰীক অভিনন্দন পত্ৰ, গামোচা, গ্ৰন্থ আৰু কলম প্ৰদান কৰা হৈছে। অনুষ্ঠানটোত চেঁচা গঞা খেল-বংশ উন্নয়ন সমিতিৰ সাধাৰণ সম্পাদক প্ৰদীপ কুমাৰ মৰাণ, মুখপত্ৰ সম্পাদক পৱন কুমাৰ মৰাণ, অৰুণ মৰাণ, ফুলন্দ মৰাণে ছাত্ৰ-ছাত্ৰীসকলক উদ্দেশি বক্তব্য আগবঢ়ায়।

## কলিয়াবৰত মহিলা আত্মৰক্ষাৰ কৰ্মশালা

অগ্ৰদূত বাৰ্তা

**কলিয়াবৰ, ২৭ জুন ঃ** কলিয়াবৰত অধ্যয়ন এডুকেচেনেল ছ'চাইটিৰ মহিলাসকলে নিজকে আত্মৰক্ষা কৰিব পৰাকৈ আত্ম প্ৰতিৰক্ষাৰ এক কৰ্মশালাৰ আয়োজন কৰা হৈছে। কলিয়াবৰৰ মাধৱগাঁওস্থিত বল্লভ ভাই পেটেল মজলীয়া বিদ্যালয়ত গৰমৰ বন্ধত মাহজোৰাকৈ হ'বলগীয়া এই কৰ্মশালাখনত সকলো বয়সৰ মহিলাই অংশগ্ৰহণ কৰিব পাৰিব। প্ৰশিক্ষণপ্ৰাপ্ত প্ৰশিক্ষকৰ দ্বাৰা মহিলাসকলক আত্মৰক্ষাৰ প্ৰশিক্ষণ দিয়া হ'ব।

## গোৱালপাৰা জিলা পৰিবহণ বিভাগত পুনৰ দালালৰাজ আৰম্ভ

অগ্ৰদূত বাৰ্তা

**মাটিয়া, ২৭ জুন ঃ** গোৱালপাৰা জিলা পৰিবহণ বিভাগত পুনৰ দালাল আৰু উৎকোচৰাজ আৰম্ভ হোৱাত ৰাইজৰ মাজত প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। উল্লেখ্য যে উৎকোচ নহ'লে কাৰ্যালয়টোৰ যিকোনো ফাইল লৰচৰ নকৰাৰ অভিযোগৰ দীৰ্ঘদিনীয়া। কাৰ্যালয়টোৰ বিষয়া-কৰ্মচাৰীসকলে বিশেষকৈ মধ্যভোগীৰ জৰিয়তে উৎকোচৰাজৰ মুকলি বজাৰ চলাই থকাৰ অভিযোগ উঠিছে। এইদৰে দুৰ্নীতিৰ একপ্ৰকাৰ ভূ-স্বৰ্গত পৰিণত হোৱা গোৱালপাৰা জিলা পৰিবহণ বিভাগৰ কাৰ্যালয়ত যোৱা ছয় এপ্ৰিলত আৰক্ষীৰ সহযোগত জিলা প্ৰশাসনে অভিযান চলাই এগৰাকী কৰ্মচাৰীসহ মুঠ পাঁচগৰাকী ব্যক্তিক আটক কৰি জেল হাজোতলৈ প্ৰেৰণ কৰিছিল। উক্ত ঘটনাৰ পাছৰে পৰাই গোৱালপাৰা জিলা পৰিবহণ বিষয়াৰ কাৰ্যালয়ত উৎকোচৰাজ বন্ধ হোৱাৰ লগতে দালাল শূন্য হৈ পৰিছিল; কিন্তু দুমাহ পাৰ নৌহওঁতেই পুনৰ দালালেৰে ভৰি পৰিছে পৰিবহণ বিভাগৰ কাৰ্যালয়টো। উল্লেখ্য যে চালকৰ অনুমতি পত্ৰ, যান-বাহনৰ পঞ্জীয়ন, মালিকীস্বত্ব বদলিকৰণ, যান-বাহনৰ সক্ষমতা আৰু নিৰ্দিষ্ট বাট-পথত যান-বাহন চলোৱাৰ অনুমতি পত্ৰ, দুৰ্ঘটনাগ্ৰস্ত যান-বাহনৰ প্ৰমাণ পত্ৰ, চালকৰ অনুমতি পত্ৰ নবীকৰণ আদিকে ধৰি সকলো কামৰ বাবেই কাৰ্যালয়টোৱে অঘোষিতভাৱে নিৰ্ধাৰণ কৰি দিয়া হাৰত উৎকোচ দিব লাগে বুলি অভিযোগ উত্থাপিত হৈছে। উৎকোচৰ পৰিমাণ কম হ'লে অথবা উৎকোচ দিবলৈ অস্বীকাৰ কৰিলে সামান্য কামৰ বাবেই যান-বাহনৰ গৰাকীয়ে কাৰ্যালয়টোত তাঁত-বাটি কাঢ়িবলগীয়া হয়।

## সমাজকৰ্মী কনক কুমাৰৰ মৃত্যু

অগ্ৰদূত বাৰ্তা

**পলাশবাৰী, ২৭ জুন ঃ** দক্ষিণ কামৰূপৰ ৰাজাপুখুৰী সত্ৰৰ এজন সমাজকৰ্মী, অসম সচিবালয়ৰ শিক্ষা বিভাগৰ অৱসৰপ্ৰাপ্ত কৰ্মচাৰী কনক কুমাৰৰ ২৬ জুনৰ পুৱতি নিশা ২.৪৫ বজাত মৃত্যু হয়। তেওঁ দীৰ্ঘদিন ধৰি দুৰাৰোগ্য ৰোগত আক্ৰান্ত হৈ চিকিৎসাধীন হৈ আছিল। মৃত্যুৰ সময়ত তেওঁৰ বয়স হৈছিল ৬৭ বছৰ। ৰাজাপুখুৰী সত্ৰ উন্নয়ন সমিতিৰ সভাপতি, ৰাইজ গয়ৰহৰ উপদেষ্টাৰ দৰে সন্মানীয় আসনত থাকি গাঁৰৰ সৰ্বাংগীণ বিকাশত প্ৰয়াত কুমাৰে অহোপুৰুষাৰ্থ কৰিছিল। মৃত্যুৰ সময়ত তেওঁ পত্নীসহ দুজন পুত্ৰক এৰি থৈ যায়। কুমাৰৰ মৃত্যুত সত্ৰৰ বৰ্তমানৰ অধিকাৰ নৱজ্যোতি গোস্বামী, ৰাইজ গয়ৰহৰ সম্পাদক যোগেন্দ্ৰ কুমাৰ, বাতৰি কাকত পৰিৱেশক কালিকান্ত নিউজ এজেন্সীৰ স্বত্বাধিকাৰী বিমল শৰ্মা প্ৰমুখ্যে অঞ্চলটোৰ কে'বাজনো বিশিষ্ট ব্যক্তিয়ে গভীৰ শোক প্ৰকাশ কৰে।

## বকোত প্ৰাতঃভ্ৰমণলৈ গৈ পানীত পৰি মহিলাৰ মৃত্যু

অগ্ৰদূত বাৰ্তা

**বকো, ২৭ জুন ঃ** বকোৰ খেনাপাৰাত প্ৰাতঃ ভ্ৰমণলৈ গৈ পথৰ কাষত থকা পুখুৰীত পৰি এগৰাকী মহিলাৰ মৃত্যু হয়। খেনাপাৰাৰ ৰেৱতীবালা ৰাভা (৫৪) নামৰ মহিলাগৰাকীয়ে প্ৰাতঃ ভ্ৰমণৰ উদ্দেশ্যে আজি পুৱতি নিশা ৪-৩০ বজাত ঘৰৰ পৰা ওলাই আহে। উচ্চ ৰক্তচাপৰ ফলত মহিলাগৰাকীয়ে খোজকাঢ়ি থাকোতেই পথৰ দাঁতিত থকা পুখুৰী এটাত পৰি যায়। একাংশ প্ৰাতঃ ভ্ৰমণলৈ যোৱা লোকে মহিলাগৰাকীক পুখুৰীটোত ওপঙি থকা প্ৰত্যক্ষ কৰি পৰিয়ালৰ লোকক অৱগত কৰে। পাছত ঘটনা সন্দৰ্ভত বকো আৰক্ষীক অৱগত কৰাত আৰক্ষীয়ে মহিলাগৰাকীৰ মৃতদেহ উদ্ধাৰ কৰি মৰণোত্তৰ পৰীক্ষাৰ বাবে গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতাললৈ প্ৰেৰণ কৰে।



*হাওৰাঘাটত অপৰিৱৰ্তিত হৈ আছে বান পৰিস্থিতি, মঙলবাৰে।*

### আক্ৰাছুৰ অভিযোগ মন্ত্ৰীৰ বিৰুদ্ধে

## ওদালগুৰিত পানী যোগান আঁচনিৰ নামত অনিয়ম

অগ্ৰদূত বাৰ্তা

**ওদালগুৰি, ২৭ জুন ঃ** ওদালগুৰি চহৰৰ জনসাধাৰণক বিশুদ্ধ খোৱাপানী যোগানত সম্পূৰ্ণৰূপে ব্যৰ্থ হৈছে ওদালগুৰি জিলা জনস্বাস্থ্য কাৰিকৰী বিভাগ। এই অভিযোগ উত্থাপণ কৰিছে ওদালগুৰি জিলা কোচ ৰাজবংশী ছাত্ৰ সন্থাই। কালি এক বিবৃতিত জিলা আক্ৰাছুৰ সভাপতি ভৰেন ৰাজবংশী, সম্পাদক নৱজিৎ কোচ আৰু প্ৰচাৰ সম্পাদক হংস ৰাজবংশীয়ে কয়—ওদালগুৰি চহৰত নিৰ্মিত পানী যোগান আঁচনিৰ মণ্ডল এক আৰু মণ্ডল দুই যোগে যিমান ফুট গভীৰতালৈ খান্দিব লাগে সিমান খন্দা হোৱা নাই। ফলত নিম্নমানৰ সঁজুলি ব্যৱহাৰ কৰি খন্দাৰ বাবে দুটাকৈ পানী যোগান আঁচনি প্ৰতি এমাহৰ পাছতেই নগৰখনত বিকল হৈ আজিলৈকে পৰি আছে। পানী যোগান আঁচনিখনৰ নামত অনিয়ম সংঘটিত কৰি প্ৰায় ন কোটি টকাৰ সৰহভাগ ধন আত্মসাৎ কৰাৰ ফলত আজিলৈকে ওদালগুৰি নগৰৰ ৰাইজে বিশুদ্ধ খোৱা পানীৰ পৰা বঞ্চিত হ'বলগীয়াটো এক গুৰুতৰ বিষয় বুলি ক্ষোভ প্ৰকাশ কৰে। কিন্তু এই বিষয়ত অলপো গুৰুত্ব দিয়া নাই স্থানীয় বিধায়ক তথা জনস্বাস্থ্য কাৰিকৰী মন্ত্ৰী ৰিহণ দৈমাৰীয়ে। কাৰণ মন্ত্ৰী দৈমাৰীয়ে কংগ্ৰেছ চৰকাৰৰ দিনতো জনস্বাস্থ্য কাৰিকৰী মন্ত্ৰী হৈ থকাৰ সময়তে টংলা জনস্বাস্থ্য কাৰিকৰী সংমণ্ডলৰ জৰিয়তে ওদালগুৰি চহৰত প্ৰায় ন কোটি টকাৰে মণ্ডল-এক আৰু মণ্ডল- দুই পানী যোগান আঁচনি দুখন সম্পূৰ্ণ কৰা হৈছিল বুলি উল্লেখ কৰে। আনহাতে, মন্ত্ৰী দৈমাৰীৰ কাৰ্যকালতেই ওদালগুৰি জিলাৰ গ্ৰাম্য অভিকৰণ আঁচনিৰ (ডি আৰ ডি এ) অধীনত ২০১৩-১৪ আৰু ২০১৪-১৫ত প্ৰায় ২২ হেজাৰ ইন্দিৰা আৱাসগৃহৰ বৃহৎ কেলেংকাৰিৰ তদন্ত আজিলৈকে নকৰাটোও এক ৰহস্যজনক বিষয় বুলি বিবৃতিটোত উল্লেখ কৰি কয় যে সেইবোৰ দুয়োখন আঁচনিৰ কেলেংকাৰিৰ তদন্ত চি বি আইক দিবলৈ অসম চৰকাৰ তথা ভাৰত চৰকাৰৰ ওচৰত দাবী জনায়। অন্যথা ওদালগুৰি জিলা আক্ৰাছুৱে কেলেংকাৰিৰ বিৰুদ্ধে তীব্ৰ গণতান্ত্ৰিক আন্দোলন কৰিব বুলি সকীয়াই দিয়ে।

## বজৰংগ দলৰ পৰা তিনিজনক বহিষ্কাৰ

অগ্ৰদূত বাৰ্তা

**ৰঙিয়া, ২৭ জুন ঃ** দল-বিৰোধী কাৰ্যকলাপত লিপ্ত থকাৰ অভিযোগ উত্থাপন কৰি বজৰংগ দলৰ প্ৰাক্তন কাৰ্যনিৰ্বাহক উৎপল বৰা, হিমাংশু কাকতি আৰু মণি কাকতিক দলৰ পৰা চিৰকাললৈ বহিষ্কাৰ কৰা হৈছে। বজৰংগ দলৰ সহ সংযোজক অঞ্জন ভূঞাই এক বিবৃতিত এই কথা সদৰী কৰে। বিবৃতি অনুসৰি, আজি ৰঙিয়া বিশ্ব হিন্দু পৰিষদৰ উদ্যোগত অনুষ্ঠিত সাধাৰণ সভাত এই সিদ্ধান্ত গ্ৰহণ কৰা হয়। সভাত সৰ্বসন্মতিক্ৰমে গৃহীত সিদ্ধান্ত অনুসৰি আজিৰে পৰা এই তিনিজনৰ লগত দলৰ কোনো সম্পৰ্ক নাথাকিব। ৰাইজৰ লগতে ৰাজনৈতিক দল, যুৱ-ছাত্ৰ তথা সামাজিক সংগঠনৰ প্ৰতিনিধিয়ে বজৰং দল সম্বন্ধীয় কোনো বিষয়ত এই তিনি বহিষ্কৃত সদস্যৰ লগত যোগাযোগ নকৰিবলৈ বিবৃতিৰ জৰিয়তে আহ্বান জনাইছে। বজৰং দলক শক্তিহীন তথা বিপথে পৰিচালনা কৰাৰ বাবে এই তিনি সদস্যই কংগ্ৰেছী নেতাৰ লগত সহযোগ কৰা বুলিও বিবৃতিত উল্লেখ কৰা হয়। আজিৰে পৰা কোনোবাই এই বহিষ্কৃত তিনি সদস্যৰ লগত বজৰংগ দল সন্দৰ্ভত যোগাযোগ ৰাখিলে সেই সন্দৰ্ভত বজৰংগ দলে কোনো ধৰণৰ দায়িত্ব গ্ৰহণ নকৰে বুলিও বিবৃতিত স্পষ্ট কৰি দিয়া হয়।

## শিক্ষয়িত্ৰীৰ মৃত্যুত শোক দলগাঁৱত

অগ্ৰদূত বাৰ্তা

**দলগাঁও, ২৭ জুন ঃ** দৰঙৰ দলগাঁও সংলগ্ন অভ্যসন বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত শিক্ষয়িত্ৰী চাৰু ৰায়চৌধুৰী (৭৬)ৰ আজি পুৱতি নিশা চাৰি বজাত নিজ বাসগৃহত মৃত্যু হয়। তেওঁ যোৱা জানুৱাৰীত পিচলি পৰি কঁকালত গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত হৈ শয্যাগত হৈ পৰিল। বৰপেটাত জন্মগ্ৰহণ কৰা চাৰুৱে পিতৃৰ স'তে জামুগুৰিত থাকি অধ্যয়ন কৰিছিল। তেওঁ জামুগুৰিৰ ফুটুকাতলী ছোৱালী এম ভি স্কুলত প্ৰথমতে চাকৰিত যোগদান কৰি ১৯৬২ত দলগাঁৱলৈ আহে। দলগাঁও সংলগ্ন অভ্যসন বিদ্যালয়ত সহকাৰী শিক্ষয়িত্ৰী হিচাপে যোগদান কৰে। ১৯৯৯ত এই বিদ্যালয়ৰ পৰাই অৱসৰ গ্ৰহণ কৰে। তেওঁ ডি পি ই পি ফালৰ পৰা কৃতী শিক্ষয়িত্ৰীৰ বঁটা প্ৰদান কৰা হয়।

## নগাঁৱৰ বিশিষ্ট শিক্ষাবিদৰ মৃত্যুত শোক

বিশেষ সংবাদদাতা

**নগাঁও, ২৭ জুন ঃ** নগাঁও চহৰৰ ফৌজদাৰীৰ নিবাসী বিশিষ্ট শিক্ষাবিদ, নগাঁও কলেজৰ পদাৰ্থ বিজ্ঞান বিভাগৰ অৱসৰপ্ৰাপ্ত অধ্যাপক উমেশ শৰ্মাৰ আজি পুৱা পৰলোকপ্ৰাপ্তি ঘটে। বাৰ্ধক্যজনিত ৰোগত মৃত্যু হোৱা শৰ্মাৰ মৃত্যুৰ সময়ত বয়স আছিল ৮০ বছৰ। তেওঁৰ মৃত্যুত নগাঁৱত শোকৰ ছাঁ পৰিছে। মৃত্যুৰ সময়ত তেওঁ পত্নী, পুত্ৰসহ বহু ইষ্ট কুটম্বক ইহ সংসাৰত এৰি থৈ যায়।

## নুমলীগড়ত ডাম্পাৰ চালকৰ অতপালি ঃ ছাত্ৰ আহত

**নুমলীগড়, ২৭ জুন ঃ** নুমলীগড়ৰ উপকণ্ঠ অঞ্চলত এচাম ডাম্পাৰ চালকৰ অতপালিয়ে বহুতৰ জীৱন ঘুণীয়া কৰাৰ লগতে বহুতৰে প্ৰাণ কাঢ়িছে। নুমলীগড় উচ্চ মাধ্যমিক বিদ্যালয়ৰ নৱম শ্ৰেণীৰ ছাত্ৰ দীপ চাহু আজি বিদ্যালয়লৈ চাইকেলেৰে আহি থকা অৱস্থাত এখন ডাম্পাৰৰ খুন্দাত গুৰুত্বৰভাৱে আহত হয়। দীপক ততাতৈয়াকৈ নুমলীগড় শোধনাগাৰ বিবেকানন্দ কেন্দ্ৰ হাস্পতালত ভৰ্তি কৰোৱা হয়। ইপিনে, চালকৰ অনিয়ন্ত্ৰিত অৱস্থাৰ বাবে দৈনিক দুৰ্ঘটনা বৃদ্ধি হৈ অহাৰ অভিযোগ পোৱা গৈছে। এই ডাম্পাৰ চালকসকলৰ দৌৰাত্ম্য ৰোধৰ বাবে প্ৰশাসনৰ তৰফৰ পৰা কোনো গুৰুতৰভাৱে আহত হয়। ইপিনে, চালকৰ অনিয়ন্ত্ৰিত অৱস্থাৰ বাবে দৈনিক দুৰ্ঘটনা বৃদ্ধি হৈ অহাৰ অভিযোগ পোৱা গৈছে। এই ডাম্পাৰ চালকসকলৰ দৌৰাত্ম্য ৰোধৰ বাবে প্ৰশাসনৰ তৰফৰ পৰা কোনো গুৰুত্বপূৰ্ণ পদক্ষেপ গ্ৰহণ কৰা দেখা নগ'ল। উল্লেখ্য যে ৰাষ্ট্ৰীয় ঘাইপথৰ বিধ্বস্ত অৱস্থাৰ বাবেও সততে যাতায়াতক বিঘ্নিত কৰি অহা পৰিলক্ষিত হৈছে।

## টিহুত শিশু নাট কৰ্মশালা

অগ্ৰদূত বাৰ্তা

**টিহু, ২৭ জুন ঃ** অসম নাট্য সন্মিলনৰ টিহু শাখা সমিতিৰ উদ্যোগত টিহুৰ সৰ্বেশ্বৰ দাস কনিষ্ঠ মহাবিদ্যালয়ত অহা আঠ জুলাইৰ পৰা ২৮ জুলাইলৈ ২১দিনীয়া কাৰ্যসূচীৰে কেন্দ্ৰীয় শিশু নাট কৰ্মশালাৰ আয়োজন কৰা হৈছে। অসম নাট্য সন্মিলনৰ প্ৰাক্তন সহকাৰী সম্পাদক, প্ৰয়াত নাট্যকৰ্মী হীৰকজ্যোতি দাসৰ সোঁৱৰণত আয়োজিত নাট কৰ্মশালাত অভিজ্ঞ প্ৰশিক্ষকৰ দ্বাৰা নাট প্ৰশিক্ষণ দিয়া হ'ব। নাট কৰ্মশালাত যোগদান কৰিবলৈ ইচ্ছুক শিশুসকলক টিহুৰ 'ব'হাগী ষ্টুডিঅ' অথবা ৯৮৬৪৪-১৪৮৭১ অথবা ৮৭২১০-৪৪৪৭৩ ম'বাইল নম্বৰত যোগাযোগ কৰিবলৈ উদ্যোক্তা সমিতিয়ে আহ্বান জনাইছে।

## দেহাৰকুছি মনসা পীঠত নাগ পঞ্চমী পূজাৰ আয়োজন

অগ্ৰদূত বাৰ্তা

**বাহাৰঘাট, ২৭ জুন ঃ** নলবাৰী জিলাৰ বৰভাগ ৰাজহ চক্ৰৰ অন্তৰ্গত দেহাৰকুছি মনসা পীঠত একবিংশতিতম ৰাজহুৱা শ্ৰীশ্ৰী নাগপূজাৰ দুদিনীয়াকৈ আয়োজন কৰা হৈছে। অহা ১৩ আৰু ১৪ জুলাইত আয়োজিত পূজাৰ প্ৰথম দিনা সন্ধিয়া ৬-৩০ বজাত বন্তি প্ৰজ্বলন কৰিব বীণাপাণি দেৱীয়ে। সাত বজাত টোপধ্বনি উদ্বোধন কৰিব মাধৱ চন্দ্ৰ শৰ্মাই। অন্তিম দিনা পুৱা সাত বজাত পূজা পৰিচালনা সমিতিৰ সভাপতি জীতেন্দ্ৰ নাথ শৰ্মাই পতাকা উত্তোলন, ৭-৩০ বজাত ৰবীন্দ্ৰ চন্দ্ৰ শৰ্মাই স্মৃতি তৰ্পণ, আঠ বজাত জীৱেশ্বৰ শৰ্মাই বৃক্ষৰোপণ কৰাৰ পাছতে ৮-৩০ বজাত ঘট স্থাপন আৰু পূজা আৰম্ভ হ'ব। পুৱা ন বজাৰ পৰা ওজাপালি প্ৰদৰ্শন কৰা হ'ব। ইতিমধ্যে পূজা পৰিচালনাৰ বাবে জীতেন্দ্ৰ নাথ শৰ্মাক সভাপতি, প্ৰবীণ শৰ্মাক উপ-সভাপতি, হিতেশ শৰ্মাক সম্পাদক, ভুৱনেশ্বৰ দাস, দিগন্ত দাস, মৃণাল শৰ্মা আৰু নাৰায়ণ শৰ্মাক সহকাৰী সম্পাদকৰূপে লৈ এখন সমিতি গঠন কৰা হৈছে। আনহাতে, অঞ্চলটোৰ বৰখালা ঠাকুৰাণী থানতো বিভিন্ন কাৰ্যসূচীৰে নাগ পঞ্চমী পূজাৰ আয়োজন কৰা হৈছে। তদুপলক্ষে ১৪ জুলাইত অনুষ্ঠিত পূজাৰ স'তে সংগতি ৰাখি, ওজাপালি, সমূহীয়া শান্তি প্ৰদান কৰা হ'ব।

### মুগকুছিত বিশুদ্ধ খোৱাপানীৰ পৰা বঞ্চিত ৰাইজ

# ১৫ বছৰে বিকল পানী যোগান আঁচনি

অগ্ৰদূত বাৰ্তা

**বাঁহজানী, ২৭ জুন ঃ** নলবাৰী জিলাৰ বাঁঙজানীৰ অন্তৰ্গত মুগকুছি গাঁৱত বিশুদ্ধ খোৱাপানীৰ বাবে ৰাইজৰ হাহাকাৰ অৱস্থাৰ সৃষ্টি হৈছে। বেলশৰ জনস্বাস্থ্য কাৰিকৰী বিভাগৰ অধীনত স্থাপিত হৈছিল মুগকুছি খোৱাপানী যোগান কেন্দ্ৰটো। উক্ত কেন্দ্ৰটোৰ অধীনৰ বালা-মুগকুছি চুবুৰিৰ আটাইকেইটা নামঘৰ-বিদ্যালয় আদি সামৰি পানীৰ টেপ স্থাপন কৰিছিল। পানী যোগান কিছুদিন চলি আছিল যদিও বিগত ১০-১৫ বছৰ ধৰি অঞ্চলটোৰ বালা-মুগকুছি চুবুৰিৰ আটাইকেইটা টেপ বন্ধ হৈ আছে। ফলত অঞ্চলবাসীয়ে বহুবাৰ বিভাগীয়ভাৱে আবেদন-নিবেদন কৰিছে যদিও আঁচনিখনৰ উপযুক্ত ব্যৱহাৰ নোহোৱা বুলি ৰাইজে অভিযোগ উত্থাপন কৰিছে। আনহাতে, গাঁওখনৰ সচেতন যুৱক প্ৰণৱ বৈশ্যই অভিযোগ কৰা মতে অঞ্চলটোৰ গৰিষ্ঠ সংখ্যক ঘৰতে দমকলৰ ব্যৱস্থা নাই। ফলত পুখুৰীৰ পানীও সেৱন কৰিবলগীয়া হৈছে। গাওঁবাসীয়ে অভিযোগ কৰা অনুসৰি জনস্বাস্থ্য কাৰিকৰী বিভাগৰ বেলশৰ সংমণ্ডলৰ বিষয়া-কৰ্মচাৰীৰ অমনোযোগিতাৰ বাবে এনেকৈ পানী যোগান বন্ধ হোৱা বুলি আক্ষেপ প্ৰকাশ কৰে। আন এক অভিযোগ মতে, উক্ত আঁচনিখনৰ নিৰ্মাণৰ সময়ত পানী পৰিবাহী পাইপসমূহ মাটিৰ গাতসমূহ কম হোৱা বাবে উক্ত চুবুৰিটোলৈ পানী গৈ নাপায়। যাৰ বাবে অঞ্চলটোৱে যোৱা ১৫ বছৰে পানী যোগানৰ সুবিধাৰ পৰা বঞ্চিত হৈ আছে। গাঁওখনৰ দুখীয়া ৰাইজে কেন্দ্ৰটোৰ পানী যোগান নোপোৱাৰ বাবে পুখুৰীৰ পানী খাই জীৱন নিৰ্বাহ কৰি আহিছে। ফলত গাঁওবাসীয়ে বিশুদ্ধ খোৱাপানী নাপাই দূষিত পানী সেৱন কৰি ৰোগাক্ৰান্ত হৈছে। চুবুৰিটোত বন্ধ হৈ থকা পানী যোগান নিয়মীয়া কৰিবলৈ স্থানীয় বিধায়কক ৰাইজে দাবী উত্থাপন কৰিছে।